অধ্যায় ২ ঃ এগৰাকী ভাল সাংবাদিক হোৱাৰ উপায়

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ 'সাংবাদিক'ৰ অর্থ
২.৪ এগৰাকী ভাল সাংবাদিক হোৱাৰ উপায়
২.৫ সাংবাদিকৰ ভূমিকা আৰু দায়িত্ব
২.৬ সাংবাদিকৰ অধিকাৰ
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্রগতিৰ খতিয়ান
২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- সাংবাদিকৰ সংজ্ঞা দিব পাৰিব
- এগৰাকী সাংবাদিকৰ ভূমিকা আৰু দায়িত্ব আলোচনা কৰিব পাৰিব
- সাংবাদিকৰ অধিকাৰসমূহ বিশ্লেষণ কৰিব পাৰিব।

২.২ পৰিচয়

আগৰ অধ্যায়ত আমি সাংবাদিকতাৰ ধাৰণা, ইয়াৰ উদ্দেশ্য আৰু সমাজত ইয়াৰ ভূমিকা সম্পর্কে আলোচনা কৰিছিলোঁ। এই অধ্যায়ত আমি এগৰাকী সাংবাদিকৰ ভূমিকা, দায়িত্ব আৰু অধিকাৰৰ লগতে এটা বৃত্তি হিচাপে সাংবাদিকতানো কেনে সেয়া আলোচনা কৰিম।

২.৩ 'সাংবাদিক'ৰ অর্থ

এটা প্রশ্ন প্রায়েই আমাৰ মনলৈ আহে ঃ 'সাংবাদিক কোন?' সাংবাদিক হ'ল এনে এগৰাকী ব্যক্তি যিয়ে প্রধানতঃ দুটা কাম কৰে— সংবাদৰ প্রতিবেদন দাখিল কৰে আৰু সংবাদৰ ভিত্তিত

কোনো ঘটনা সন্দর্ভত ব্যাখ্যা তথা মতামত আগবঢ়ায়। এগৰাকী সাংবাদিকে একে সময়তে মনোৰঞ্জনকাৰী আৰু সংবাদযোগ্য বিৱৰণীও লিখিব পাৰে। সাংবাদিক হ'ল সেইসকল ব্যক্তি যিয়ে সাংবাদিকতাৰ অনুশীলন কৰে, সাময়িক ঘটনা ধাৰা-বিষয়-মানুহৰ সংগ্রহ আৰু প্রচাৰ কৰে। পটভূমিৰ ওপৰত নির্ভৰ কৰি সাংবাদিক অভিধাৰে বাতৰি যোগনিয়াৰ (reporter), আলোকচিত্র শিল্পী (photographer) আৰু সম্পাদকক (editor) সামৰি লোৱা হয়।

মাধ্যম যিয়েই নহওক কিয়, 'সাংবাদিক'ৰ অভিধাই সামৰি লোৱাসকলৰ পৰা কোনো বাতৰি প্রস্তুত কৰাৰ সময়ত বৃত্তিজীৱিতাৰ প্রত্যাশা কৰা হয়। এই বৃত্তিজীৱিতা (professionalism) সত্য, নিৰপেক্ষতা, সমতা, ভদ্রতা আৰু ন্যায়নিষ্ঠতাৰ বিবেচনাৰ ভিত্তিত প্রদর্শন কৰিব পাৰি। অৱশ্যে ওপৰত উল্লেখ কৰা উপাদানবোৰ প্রদর্শনৰ স্বীকৃত মান প্রতিষ্ঠানভেদে বেলেগ বেলেগ হ'ব পাৰে। আধুনিক সংবাদ মাধ্যমৰ দ্রুত বিকাশ ঘটাৰ লগে লগে সাংবাদিকৰ এটা নতুন গোট গঢ় লৈ উঠিছে। এই সাংবাদিকসকলে নিজ ক্ষেত্রখনৰ উপৰি আন বহুতো ক্ষেত্রত পাৰদর্শিতাৰ পৰিচয় দিছে। সাংবাদিকক সাধাৰণতে তথ্য সংগ্রাহক আৰু প্রচাৰক বুলি গণ্য কৰা হয়। বর্তমানৰ নতুন চাম সাংবাদিকে যিকোনো ঘটনাৰ কাৰণ সংগ্রহ কৰে, সংবাদত কোনবোৰ তথ্য অন্তর্ভুক্ত কৰা হ'ব আৰু কোনবোৰ বাদ পৰিব সেয়া সিদ্ধান্ত লয়, সংবাদ কাহিনীটো কেনেকৈ গঢ় দিব সেয়া ঠিক কৰে আৰু প্রতিবেদন প্রস্তুত কৰাৰ সময়ত কোনবোৰ শব্দ উপযুক্তভাৱে খাপ খোৱাকৈ প্রয়োগ কৰা হ'ব সেয়াও বাছনি কৰে।

সাংবাদিকতাভিত্তিক লেখনী হ'ল সমাজৰ পৰিৱর্তিত দৃশ্যপটৰ সমসাময়িক প্রতিবেদন। এনে লেখনীৰ মৌলিক অভিপ্রায় হ'ল পাঠকৰ চৌপাশে সংঘটিত হৈ থকা ঘটনাবোৰৰ বিষয়ে তেওঁলোকক অৱগত কৰোৱা। ৰাষ্ট্রীয় অথবা স্থানীয় গুৰুত্ব থকা বিষয়ৰ ওপৰত আলোকপাত কৰি লিখা কিছুমান সাংবাদিকতা ভিত্তিক লেখনীয়ে সমাজত গভীৰ প্রভাৱ পেলাব পাৰে। সাম্প্রদায়িক সংঘর্ষ, মূল্য বৃদ্ধি অথবা অপৰাধমূলক পৰিস্থিতি আদিৰ দৰে বিষয়ক লৈ লিখা লেখনীয়ে বিতর্ক আৰু আলোচনাৰ জৰিয়তে ৰাজহুৱা মতামত গঠনৰ পথ প্রশস্ত কৰি তুলিব পাৰে।

সাংবাদিকে কোনো ঘটনা একেবাৰে কাষৰ পৰা প্রত্যক্ষ কৰাৰ অভিজ্ঞতা লাভ কৰে। তেওঁৰ প্রয়াসে দেশৰ ভৱিষ্যৎ গঢ় দিব পাৰে- এই জ্ঞানে সাংবাদিকৰ মনত কর্মোদ্যম জাগৃত কৰিব পাৰে। অর্থাৎ, একধৰণে সাংবাদিকে পাঠক-শ্রোতা-দর্শকক দিনটোৰ এনে কিছুমান ঘটনাৰ বিষয়ে জনাৰ সুযোগ দিয়ে যিবোৰ ঘটনাৰ বিষয়ে পাঠক-দর্শকে আলোচনা কৰে আৰু যিবোৰ ঘটনাই তেওঁলোকৰ জীৱনক প্রভাৱিত কৰিব পাৰে। টেলিভিছন আৰু ৰেডিঅ'ৰ সাংবাদিকে বৈদ্যুতিক আহিলাৰ সহায়ত সমসাময়িক ঘটনাৰ বিষয়ে শ্রোতা-দর্শকক জানিবলৈ দিয়ে।

বর্তমান সাংবাদিকতা এক সু-সংগঠিত কার্যত পৰিণত হৈছে। ই সময়ৰ সৈতে গতি কৰি থকা এটা গতিশীল বৃত্তি। আজিৰ সাংবাদিকসকলে একাধিক কাম কৰাৰ দক্ষতা আহৰণ কৰিবলগীয়া হৈছে। তেওঁলোকে কম্পিউটাৰত বিভিন্ন ছফ্‌ট্‌ৱেৰ ব্যৱহাৰ কৰি লিখা আৰু সম্পাদনা কৰাত কাৰিকৰী জ্ঞান আহৰণ কৰিবলগীয়া হৈছে। তেওঁলোকে কেমেৰা চলাবলৈ, কোনো ঘটনা বাণীবদ্ধ কৰিবলৈ, চফ্‌ট্‌ৱেৰ আহিলাৰ সহায়ত সংবাদৰ ফুটেজ সম্পাদনা কৰিবলৈ

আৰু ইণ্টাৰনেটৰ মাধ্যমেৰে সম্পাদিত সংবাদ প্ৰেৰণ কৰিবলৈ জনাটো প্ৰয়োজনীয় হৈ পৰিছে। এগৰাকী সাংবাদিকৰ স্পষ্ট আৰু সংক্ষিপ্ত ভাষাত পাঠক-শ্ৰোতা-দৰ্শকক সংবাদ আৰু দৃষ্টিভংগী জনোৱাৰ দক্ষতা থাকিব লাগে।

অৰ্থাৎ, সাংবাদিক মানে কেৱল বিশ্বৰ ঘটনাৱলী সাধাৰণ লোকক জনোৱা ব্যক্তিয়েই নহয়। তেওঁলোক হ'ল এনে এক বৃত্তিজীৱি লোক যিসকলে কোনো সমস্যা অথবা ঘটনাৰ গভীৰলৈ প্ৰৱেশ কৰি পাঠক-দৰ্শকৰ বোধগম্য হোৱাকৈ সেই সমস্যা অথবা ঘটনাবোৰ উপস্থাপন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সাংবাদিক কাক বোলে?

.....

২.৪ এগৰাকী ভাল সাংবাদিক হোৱাৰ উপায়

সাংবাদিকতা আৰু অন্য বৃত্তিৰ মাজত থকা দুটামান উমৈহতীয়া প্ৰয়োজনীয় গুণ হ'ল- সুশিক্ষা, সুস্বাস্থ্য, যথেষ্ট ধৈৰ্য আৰু দৃঢ়সংকল্পৱদ্ধতা। এই গুণবোৰৰ লগতে এগৰাকী সাংবাদিকৰ তথ্যৰ মূল্য বুজি পোৱাৰ স্বাভাৱিক প্ৰৱণতা থকাটো অতি প্ৰয়োজনীয়। এই প্ৰৱণতাটোৰ জনপ্ৰিয় নাম 'নোজ ফৰ নিউজ' (nose for news) । এগৰাকী ভাল সাংবাদিকৰ বাতৰিৰ তুলনামূলক মূল্য পূৰ্বানুমান কৰাৰ সামৰ্থ্য থাকিব লাগে। এগৰাকী দক্ষ সাংবাদিকে বাতৰি এটাৰ প্ৰতিটো উপাদানৰে যথাযোগ্য অনুপাত, সঠিক গুৰুত্ব আৰু দৈৰ্ঘ্য আদি বিষয় সম্পৰ্কে জ্ঞান হ'ব লাগে। সাংবাদিকে নিজৰ অনুভৱ অথবা আগ্ৰহৰ দ্বাৰা কোনো বাতৰিকে প্ৰভাৱিত কৰিব নালাগে।

গণতন্ত্ৰত সাংবাদিকে পালন কৰা এটা গুৰুত্বপূৰ্ণ ভূমিকা হ'ল চৰকাৰ আৰু জনসাধাৰণৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰা। তেওঁলোকৰ ভূমিকাটো এটা দ্বিমুখী চেনেলৰ দৰে। সাংবাদিকে জনসাধাৰণক চৰকাৰী সিদ্ধান্ত আৰু কাম-কাজৰ বিষয়ে জানিবলৈ দিয়ে। আকৌ, সাংবাদিকেই ৰাজহুৱা মতামত চৰকাৰক অৱগত কৰে। সেয়েহে সাংবাদিকতাৰ জগতখনত নিজকে প্ৰতিষ্ঠা কৰিবলৈ আমাক কিছুমান বিশেষ গুণৰ প্ৰয়োজন হয়।

সাধাৰণতে সাংবাদিকসকলৰ সৈতে যুক্ত হৈ থকা ব্যক্তিগত গুণবোৰক দক্ষতা পৰীক্ষাৰ (aptitude test) সৈতে ৰিজাব পাৰি। এই গুণবোৰ আচলতে সামৰ্থ্যৰ ইংগিত। সামৰ্থ্য শ্ৰেণীকোঠাকেন্দ্ৰিক অধ্যয়ন আৰু সাংবাদিকতাৰ ক্ষেত্ৰখনত লাভ কৰা কৰ্ম অভিজ্ঞতাৰ দ্বাৰা বিকশিত আৰু সংশোধন কৰিব পাৰি। তলত এগৰাকী ভাল সাংবাদিক হ'বলৈ আমাক প্ৰয়োজন হোৱা দুটামান বিশেষ গুণৰ বিষয়ে আলোচনা কৰা হ'ল-

(ক) **অনুসন্ধিৎসা** (Curiosity) ঃ এগৰাকী সাংবাদিক অথবা সম্পাদকৰ সদায় এটা অনুসন্ধিৎসু মন থাকিব লাগে। এই গুণটোৱে বিভিন্ন বিষয় অথবা সমস্যাক লৈ সংবাদ

প্ৰতিবেদন প্ৰস্তুত কৰাত সদায় সহায় কৰে। যিগৰাকী ব্যক্তি সহজাত প্ৰৱণতাৰে প্ৰশ্ন সুধি থাকে অথবা সংঘটিত ঘটনাৰ আঁৰৰ কাৰণ জনাৰ প্ৰয়াস কৰি থাকে তেনে ব্যক্তি সাংবাদিকতাৰ ক্ষেত্ৰখনৰ বাবে নিতৌ প্ৰয়োজন হোৱা অতি গুৰুত্বপূৰ্ণ গুণ এটাৰ অধিকাৰী। সন্দেহবাদ (scepticism), বস্তু অথবা ঘটনা সম্পৰ্কে ইতিবাচকভাৱে সোধা প্ৰশ্নক আনকি বাস্তৱ জীৱনতো কেতিয়াও অবিশ্বাসী চৰিত্ৰ (cynicism) অথবা নেতিবাচক অনাস্থা আৰু অবিশ্বাস বুলি ভুল কৰিব নালাগে। এগৰাকী ভাল সাংবাদিকে সত্য উদ্‌ঘাটন কৰি থাকোতে পাঠক-শ্ৰোতা দৰ্শকৰ অৱচেতন অনুসন্ধিৎসাৰ দ্বাৰা সৃষ্ট সকলো ধৰণৰ প্ৰশ্ন অথবা সন্দেহৰ উত্তৰ দিব পাৰে।

(খ) **ন্যায় আৰু দায়িত্ববোধ** (A sense of fairness and responsibility) ঃ সাংবাদিক হ'ল এনে এগৰাকী ব্যক্তি যিয়ে কোনো প্ৰশ্নৰ বিভিন্ন দিশ চালি-জাৰি চাব পাৰে আৰু ন্যায়সংগতভাৱে তথা দায়িত্ববোধ সহকাৰে সত্য উপস্থাপন কৰে। এগৰাকী সাংবাদিকে কেতিয়াও পক্ষপাতিত্বমূলক মনোভাৱ প্ৰদৰ্শন কৰিব নোৱাৰে। কৰ্তব্যৰত অৱস্থান তেওঁৰ সদায় ন্যায়সংগত আচৰণ কৰাৰ সামৰ্থ্য থাকিব লাগিব।

(গ) **দলীয় উদ্যম** (Team Spirit) ঃ সংবাদ মাধ্যম প্ৰতিষ্ঠানবোৰত সাংবাদিকসকলে দলীয়ভাৱে কাম কৰিবলগীয়া হয়। সেয়েহে এগৰাকী ভাল সাংবাদিক হ'বলৈ দলীয়ভাৱে কাম কৰাৰ মনোভাৱ গঢ়ি তোলা দৰকাৰ। ইয়াৰ অৰ্থ হ'ল যিকোনো সংবাদ মাধ্যম প্ৰতিষ্ঠানৰ প্ৰতিগৰাকী কৰ্মচাৰী-সদস্যই নিজৰ ভাগৰ কামবোৰ নিজ দক্ষতা অনুসৰি নিষ্ঠা আৰু মনোযোগেৰে কৰাৰ লগতে সহকৰ্মীসকলকো প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াব লাগে।

(ঘ) **সাহস** (Courage) ঃ কোনো কোনো পৰিস্থিতিত সাংবাদিকসকল সাহসী হ'বলগীয়া হয়। প্ৰাকৃতিক দুৰ্যোগ আৰু সংঘাতৰ বাতৰি যোগান ধৰা সাংবাদিকৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে সত্য। প্ৰায়েই সাংবাদিকসকলক প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত অথবা সংঘাত জৰ্জৰিত অঞ্চললৈ ক্ষেত্ৰভিত্তিক পৰিস্থিতিৰ প্ৰত্যক্ষ বিৱৰণী সংগ্ৰহৰ বাবে প্ৰেৰণ কৰা হয়। এনে পৰিস্থিতিত সাংবাদিকসকল শাৰীৰিক আৰু মানসিক দুয়ো ধৰণে শক্তিশালী হ'বলগীয়া হয়। তথা নানা অসুবিধাৰ সন্মুখীন হৈয়ো ঘটনাবোৰৰ সংবাদ সংগ্ৰহ কৰিবলগীয়া হয়। প্ৰতি বছৰে বহুতো সাংবাদিক আৰু সংবাদ মাধ্যম সহায়কৰ (গাড়ীচালক, দোভাষী, কাৰিকৰী কৰ্মী ইত্যাদি) সমগ্ৰ বিশ্বতে কৰ্মৰত অৱস্থাত অকাল মৃত্যু ঘটে। আপোনালোকৰ মাজৰে বহুতেই হয়তো ৱাল ষ্ট্ৰীট জাৰ্ণেল নামৰ কাকতখনৰ সাংবাদিক ডেনিয়েল পার্লৰ কথা জানে। তেওঁ ৰিচার্ড ৰীডৰ কাহিনী, শ্বু বোম্বাৰ (জোতাত বিস্ফোৰক পদাৰ্থ বান্ধি আনি বিস্ফোৰিত কৰা উগ্ৰপন্থীজন), আল-কায়দা আৰু পাকিস্তানী চোৰাংচোৰা এজেন্সী আই এছ আইৰ মাজত থকা তথাকথিত সম্বন্ধ অনুসন্ধান কৰিবলৈ পাকিস্তানলৈ আহিছিল। তেওঁক ২০০২ চনৰ জানুৱাৰী মাহত সন্ত্ৰাসবাদীয়ে অপহৰণ কৰি নি হত্যা কৰিছিল। পার্লক অপহৰণ কৰাৰ সময়ত তেওঁ এজন গোড়া ইছলামপন্থী নেতা মুবাৰক আলি শ্বাহ গিলানীৰ সাক্ষাৎকাৰ ল'বলৈ গৈছিল।

(ঙ) **আগ্ৰহ** (Interest) ঃ এগৰাকী সফল সাংবাদিকৰ কৰ্ম-সংস্কৃতিৰ প্ৰতি আগ্ৰহ থাকে। তেওঁ সংবাদৰ সৈতে খোজত খোজ মিলাই চলাৰ দক্ষতা আহৰণ কৰি ল'ব লাগে। তেতিয়াহে

তেওঁ সাংবাদিকতাৰ ক্ষেত্রখন কি আৰু কেনেধৰণৰ সেয়া জানিব পাৰিব। এই কথা হৃদয়ংগম কৰাৰ পাছত তেওঁ সংবাদ লিখা তথা সম্পাদনা কৰাৰ বাবে প্রয়োজন হোৱা দক্ষতাবোৰ বিকশাই তুলিব পাৰিব। ইয়াৰ লগতে সাংবাদিকে বিকশাই তুলিবলগীয়া আন কিছুমান দক্ষতা হ'ল পৃষ্ঠা সজ্জাৰ কৌশল আয়ত্ত কৰা, দৃষ্টি আকর্ষণকাৰী শিৰোনাম লিখা আৰু বাতৰিৰ সৈতে খাপ খোৱা আলোকচিত্র বাছনি কৰা।

(চ) **সৃজনশীলতা** (Creativity) ঃ সাংবাদিক এগৰাকীয়ে মৌলিকভাৱে ভাষা ব্যৱহাৰ কৰাৰ ক্ষেত্রত সৃজনশীলতাৰ পৰিচয়ো দাঙি ধৰিব লাগে। একে কথা ছবি আৰু ধ্বনি লগ লগোৱাৰ সময়ত নতুন পন্থ গ্রহণ কৰাৰ ক্ষেত্রতো প্রযোজ্য। কোনো ঘটনা অথবা কাহিনী সৃজনশীলভাৱে উপস্থাপন কৰাৰ দক্ষতা সাংবাদিকে আয়ত্ত কৰিব লাগে।

(ছ) **অধ্যাৱসায়** (Perserverance) ঃ সাংবাদিকতাৰ জগতখনত সফলতা লাভ কৰিবলৈ সাংবাদিকসকল অধ্যৱসায়ী হ'ব লাগে। অধ্যাৱসায় নাথাকিলে নতুন সাংবাদিক এগৰাকীয়ে কোনোদিনে গুৰুত্বপূর্ণ তথ্য উদ্‌ঘাটন কৰিব নোৱাৰে। তেওঁ সদায় ক্ষণস্থায়ী জনপ্রিয়তা লাভ কৰা সংবাদহে (run-of-the mill stories) সংগ্রহ কৰিব পাৰিব। কোনো ঘটনা অথবা কাহিনীৰ আঁৰৰ প্রকৃত সত্যবোৰ উদ্‌ঘাটন কৰাৰ প্রয়াসেৰেহে এগৰাকী সাংবাদিকে এক সার্থক সংবাদ প্রতিবেদন প্রস্তুত কৰিব পাৰে।

(জ) **সম অনুভূতিসম্পন্নতা** (Sense of empathy) ঃ সাংবাদিকসকলে সহজাত প্রবৃত্তিৰে অইনৰ আকাংক্ষা, ভয়, আশা, প্রয়োজনীয়তা আৰু অনুভৱ বুজি পোৱা হ'ব লাগিব। বিভিন্ন সংবাদ আৰু দৃষ্টিভংগীৰ সংগ্রহ তথা প্রস্তুতিৰ কামত ক্ষেত্রভিত্তিকভাৱে ব্যস্ত হৈ থকাৰ সময়তো সাংবাদিকে অন্য লোকৰ আৱেগ-অনুভূতিক সন্মান জনাব লাগিব। সাধাৰণ মানুহৰ আবেগ-অনুভূতিক আঘাত কৰিব পৰা কোনো ঘটনা অথবা বস্তুৰ বিষয়ে সাংবাদিকে কেতিয়াও কোনো সংবাদ প্রস্তুত কৰিব নালাগে।

(ঝ) **ধাৰণা ব্যাখ্যা কৰিব পৰা সামর্থ্য** (Ability to explain ideas) ঃ যিগৰাকী সাংবাদিকৰ অনুসন্ধিৎসু মনে অধিক তথ্য জানিব খোজে তেওঁৰ পাঠক-শ্রোতা-দর্শকক স্পষ্ট আৰু সংক্ষিপ্তভাৱে নির্দিষ্ট কোনো সংবাদৰ সৈতে জড়িত ধাৰণাবোৰৰ ব্যাখ্যা জনোৱাৰ সামর্থ্যও থাকিব লাগে। সাংবাদিকসকলে কেতিয়াবা অনুবাদকৰ কামো কৰিবলগীয়া হয়। কাৰণ, তেওঁলোকে কেতিয়াবা পাঠক দর্শকে বুজি পোৱা সহজ-সৰল ভাষাত বহুতো জটিল আৰু অস্পষ্ট ধাৰণা ব্যাখ্যা কৰিবলগীয়া হয়।

(ঞ) **বস্তুনিষ্ঠতা** (Sense of empathy) ঃ এগৰাকী ভাল সাংবাদিকে সংবাদকক্ষৰ দুৱাৰৰ সিটো পাৰে নিজৰ ব্যক্তিগত মতামত আৰু পক্ষপাতিত্ব এৰি থৈ আহে। সাংবাদিকৰ কর্তব্য হ'ল সমাজক তথ্য অৱগত কৰোৱা। তেওঁ পাঠক-দর্শকৰ ওপৰত নিজৰ মতামত জাপি দিব নোৱাৰে।

(ট) **নির্ভুল বানান আৰু যতি চিহ্ন প্রয়োগৰ দক্ষতা** (An aptitude for spelling and punctuation) ঃ এই কথা সহজেই অনুমান কৰিব পাৰি যে শব্দ হ'ল সাংবাদিকৰ এক প্রয়োজনীয় সঁজুলি। এগৰাকী সাংবাদিকে যি মাধ্যমতে কাম নকৰক কিয়, তেওঁ ধাৰণা আৰু

তথ্যবোৰক লিখিত ৰূপ দিবই লাগিব। সেয়েহে সাংবাদিকৰ এটা মৌলিক প্ৰয়োজনীয়তা হ'ল ব্যাকৰণৰ দিশেৰে নিৰ্ভুল, সৰল আৰু প্ৰাঞ্জলকৈ লিখাৰ দক্ষতা। এগৰাকী ভাল সাংবাদিকে সংবাদ যিটো ভাষাত প্ৰস্তুত কৰা হয় সেই ভাষাত লিখা কামটো উপভোগ কৰিব আৰু ভাষাটো ভালদৰে বুজিব লাগে। যতিচিহ্ন ব্যৱহাৰৰ সাধাৰণ জ্ঞান আৰু প্ৰয়োজনসাপেক্ষে সন্দেহ নাইকিয়া কৰিবলৈ অভিধান মেলি চোৱাৰ অভ্যাস হ'ল সাংবাদিকৰ আন দুটা প্ৰয়োজনীয় গুণ।

(ঠ) **প্ৰতিযোগিতাৰ মনোভাৱ** (Competitiveness) ঃ সাংবাদ সংগ্ৰহ আৰু প্ৰতিবেদন প্ৰস্তুত কৰাৰ দ্ৰুতবেগী ক্ষেত্ৰখনত সাংবাদিকসকল সফলতা লাভ কৰিবলৈ প্ৰতিযোগিতামূলক মনোভাৱৰ গৰাকী হ'ব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ সাংবাদিকৰ বৃত্তিত সফলতা লাভ কৰিবলৈ সাংবাদিকসকলক কিয় দলীয়ভাৱে কাম কৰাৰ দক্ষতা আহৰণৰ প্ৰয়োজন হয়?

.....

প্ৰশ্ন নং ৩ ঃ সাংবাদ প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত সাংবাদিকসকল সম অনুভূতিসম্পন্ন হোৱাটো প্ৰয়োজনীয়নে?

.....

২.৫ সাংবাদিকৰ ভূমিকা আৰু দায়িত্ব

সাংবাদিকতাৰ ক্ষেত্ৰখনত সাংবাদিকৰ দায়িত্ব অতি গধুৰ আৰু সমাজত তেওঁলোকে এটা বিশেষ ভূমিকা পালন কৰিব লাগে। তলত সাংবাদিকৰ ভূমিকাৰ সৈতে জড়িত দুটামান বিশেষ দিশ আলোচনা কৰা হ'ল।

(১) **সাংবাদিকে সাধাৰণ ব্যক্তিক সমসাময়িক পৃথিৱীখনৰ বিষয়ে সজাগ কৰি তুলিব লাগে ঃ** সাংবাদিকে কৰা এটা গুৰুত্বপূৰ্ণ কাম হ'ল মানুহক শেহতীয়া সংবাদ আৰু সমস্যাবোৰৰ বিষয়ে সজাগ কৰি তোলা। সাংবাদিকে সাধাৰণ লোকক সাম্প্ৰতিক ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ধাৰাবোৰৰ কথা জানিবলৈ দিয়ে। সাংবাদিকসকলে এই বিষয়বোৰক লৈ লিখে আৰু তেনে লেখনী তথা সংবাদ প্ৰতিবেদন পঢ়ি সমাজখন জ্ঞানপ্ৰাপ্ত হয়।

(২) **তথ্যৰ যোগান ধৰা আৰু শিক্ষিত কৰি তোলা ঃ** সাংবাদিকসকলে অৰ্থনীতি, বিজ্ঞান, বিশ্ব ৰাজনীতি, স্বাস্থ্য আৰু প্ৰযুক্তি সামৰি অসংখ্য বিষয়ক লৈ সংবাদ প্ৰস্তুত কৰে। তেওঁলোকে কেৱল বৃত্তিটোৰে বিচাৰা বাবেই লিখা-মেলা নকৰে। যিসকল পাঠক-দৰ্শকে এনেবোৰ বিষয় আৰু ঘটনাৰ কথা আৰু অধিক জানিব বিচাৰে তেওঁলোকক তথ্য অৱগত কৰোৱা আৰু শিক্ষিত কৰি তোলাৰ বাবেও সাংবাদিকে লিখে। আজিকালি ছপা, বৈদ্যুতিক আৰু দ্ৰুতগতিত সম্প্ৰসাৰণ ঘটা অনলাইন মাধ্যমে বিভিন্ন বিষয়ৰ সংবাদ পৰিৱেশেন

কৰে। এই সংবাদবোৰে মানুহক বিভিন্ন ক্ষেত্ৰৰ জ্ঞান আহৰণত সহায় কৰে। অন্‌লাইন সংবাদ মাধ্যমৰ এটা বিশেষত্ব হ'ল ইয়াত ঘটনা এটা ঘটি থকা সময়তে আপলোড কৰি যাব পাৰি।

(৩) **সাধাৰণ লোকৰ মনোৰঞ্জন কৰা ঃ** কথাছবি, সংগীত আৰু মনোৰঞ্জনৰ অন্য ক্ষেত্ৰত কাম কৰা সাংবাদিকসকলে এনেবোৰ বিষয়ৰে সংবাদ প্ৰস্তুত কৰে। সাধাৰণ লোকে জনপ্ৰিয় ব্যক্তিৰ ব্যক্তিগত জীৱনৰ বিষয়ে জনাৰ কোনো আগ্ৰহ নেদেখুৱায় বুলি ক'লে ভুল হ'ব। সাধাৰণতে মুখৰোচক অনুষ্ঠানবোৰত (gossip) এনে সংবাদ পৰিৱেশন কৰা হয়। মনোৰঞ্জন প্ৰদানকাৰী বাতৰি প্ৰস্তুত কৰা সংবাদিকসকলৰ মনোৰঞ্জন আৰু সংবাদ মাধ্যম উদ্যোগটোৰ (entertainment and media industry) কার্য সম্পাদন পদ্ধতিৰ বিষয়ে স্পষ্ট ধাৰণা থকা উচিত। এই ক্ষেত্ৰখনত টেলিভিছ্ন সাংবাদিকসকল অধিক সফল। কাৰণ, তেওঁলোকৰ লগত থকা কেমেৰাপার্চনে বিশেষ অসুবিধাৰ সন্মুখীন নোহোৱাকৈ বাতৰি হিচাপে প্ৰস্তুত কৰা ঘটনাবোৰ কেমেৰাত বন্দী কৰি যাব পাৰে। আজিকালি অনলাইন উৎসবোৰ সহজলভ্য হৈ পৰাৰ লগে লগে দর্শকে এনে বিষয়বস্তুবোৰ অতি সহজে অনলাইনত চাব পাৰে।

(৪) **মানুহক শুদ্ধ মত আৰু সিদ্ধান্ত গ্ৰহণত সহায় কৰা ঃ** কেতিয়াবা সাধাৰণ লোক কোনো সংবাদত থকা আৱেগিক টোত উটি যাব খোজে। সাংবাদিকে মানুহক তেনে সংবাদ সম্পর্কে নিজস্ব কিন্তু শুদ্ধ মতামত গ্ৰহণ কৰাত সহায় কৰে। বিভিন্ন সংযোগ চেনেলৰ সহায়ত ছপা আৰু টেলিভিছ্ন মাধ্যমৰ সাংবাদিকসকলে নিজৰ পাঠক-দর্শকৰ সৈতে সম্পর্ক ৰক্ষা কৰি চলে। সাংবাদিকে শেহতীয়া জ্বলন্ত সমস্যা অথবা গুৰুত্বপূর্ণ ঘটনা সম্পর্কে অনুসন্ধান কৰে। তাৰ পাছত বিষয়টোক লৈ নানা প্ৰবন্ধ অথবা আলেখ্য, কথা-বতৰাৰ অনুষ্ঠান আৰু অন্য সংবাদভিত্তিক অনুষ্ঠান প্ৰস্তুত কৰে। শ্ৰোতা-দর্শকক আলোচনাৰ বিষয়বস্তু সম্পর্কে সঁহাৰি জনাবলৈ কোৱা হয়। শ্ৰোতা-দর্শকে এছএমএছ বার্তা, ফেক্স বার্তা, টেলিফোন কল আৰু চিঠিৰ জৰিয়তে টেলিভিছ্ন ষ্টুডিঅ' অথবা ছপা মাধ্যমৰ সম্পাদনা কার্যালয়ক নিজৰ মনৰ ভাৱ জানিবলৈ দিয়ে। অর্থাৎ, সংবাদ মাধ্যম প্ৰতিষ্ঠানবোৰে সংবাদ সৃষ্টিৰ প্ৰক্ৰিয়াটোত জন গণকো অংশগ্ৰহণ কৰিবলৈ দিয়ে। সাংবাদিকে মানুহক চৰকাৰে কি কৰি আছে সেয়া জানিবলৈ দিয়ে আৰু তেওঁলোকক নিজৰ অধিকাৰ তথা কর্তব্যৰ বিষয়ে সজাগ কৰি তোলে। সাংবাদিকসকলে মানুহক একপ্ৰকাৰ শোষণ আৰু সামাজিক বৈষম্যৰ বিৰুদ্ধে যুঁজিব পৰাকৈ শিক্ষিত কৰি তোলে।

(৫) **জ্বলন্ত সমস্যাবোৰৰ বিষয়ে মানুহক সংবেদনশীল কৰি তোলা ঃ** সাংবাদিকে পৃথিৱীৰ বিভিন্ন গুৰুত্ব লাভ কৰা জ্বলন্ত বিষয়-সমস্যাবোৰৰ তথ্য সাধাৰণ মানুহক অৱগত কৰে। সাংবাদিকসকলে ৰাজনৈতিক ব্যৱস্থা আৰু সমাজ সম্পর্কে থকা তেওঁলোকৰ জ্ঞানৰ সহায়ত সাধাৰণ লোকক সম্পাদকীয়, অতিথিৰ শিতান, নিয়মীয়া শিতান আৰু বিশেষ লেখনী আদিৰ ৰূপত এই বিষয় সমস্যাবোৰ জনাব পাৰে। এনে শিতানবোৰ বাতৰি-কাকত আৰু আলোচনী আদিত থাকে। সাংবাদিক তভ্‌লীন সিঙে 'ইণ্ডিয়া টুডে'

আলোচনীখনৰ বাবে ভাৱতত জাতীয় গুৰুত্ব থকা বিষয়-সমস্যা আদিক লৈ লিখা নিয়মীয়া শিতানটো ইয়াৰ এক উদাহৰণ। বৈদ্যুতিক মাধ্যমৰ উদাহৰণ হিচাপে আমি দূৰদৰ্শন যোগে সম্প্রচাৰিত 'অপনী বাত' আৰু এনডিটিভিৰ অনুষ্ঠান 'উই-দ্য পীপল্ৰ' নাম ল'ব পাৰোঁ। এই বোৰ হ'ল সাধাৰণ মানুহ জড়িত থকা গুৰুত্বপূৰ্ণ বিষয়-সমস্যা আলোচনা কৰা দুটামান জনপ্রিয় অনুষ্ঠান। সাংবাদিকসকলে নিজ কর্তব্য পালন কৰিবলৈ যাওতে বহুতো দায়িত্ব কান্ধ পাতি ল'বলগীয়া হয়। তলত এনে দুটামান গুৰুত্বপূৰ্ণ দায়িত্বৰ বিষয়ে আলোচনা কৰা হ'ল-

(ক) কর্মৰত কোম্পানী/সংগঠনৰ প্রতি থকা দায়িত্ব (Competitiveness) ঃ ব্যক্তিগত অথবা ৰাজহুৱা যি সংগঠন/কোম্পানীতে কাম নকৰক কিয়, সাংবাদিকসকল সদায় কর্মৰত কোম্পানী/সংগঠনৰ প্রতি দায়িত্ববান হৈ ৰ'ব লাগে। ধন অথবা অন্য পার্থিৱ সা-সম্পত্তিৰ বিনিময়ত কাম কৰি থকা কোম্পানি/প্রতিষ্ঠানৰ কোনো গোপন তথ্য অথবা সংবাদ কোনো প্রতিদ্বন্দ্বী কোম্পানী/ প্রতিষ্ঠানক যোগান ধৰিব নোৱাৰাকৈ সাংবাদিকসকল চুক্তিবদ্ধ। কর্মৰত প্রতিষ্ঠানটোৰ প্রতি থকা আনুগত্যই এগৰাকী সাংবাদিকৰ সেই প্রতিষ্ঠানটোৰ ভিতৰত সফলতা সুনিশ্চিত কৰে।

(খ) সংবাদ সংগ্রহৰ দায়িত্ব ঃ সাংবাদিকৰ আন এটা গুৰুত্বপূৰ্ণ দায়িত্ব হ'ল সংবাদ অথবা ডেটা সংগ্রহ কৰা। ইয়াৰ বাবে তেওঁলোকে সদায় গৌণ ডেটাতকৈ প্রাথমিক ডেটা সংগ্রহৰ বাবে তৎপৰ হ'ব লাগে। প্রাথমিক ডেটা সংগ্রহৰ বাবে সাংবাদিকে সদায় নিজৰ বিচাৰ-বিবেচনা প্রয়োগ কৰি আৰু অনুসন্ধিৎসু মনৰ সহায়ত ব্যক্তিগতভাৱে প্রচেষ্টা চলোৱা উচিত।

(গ) ডেটাৰ নির্ভুল সংসাধন ঃ কোনো এক সংবাদ প্রতিবেদন প্রস্তুত কৰিবলৈ প্রয়োজন হোৱা ডেটাবোৰ নির্ভুল আৰু যথার্থভাৱে সংসাধন কৰাৰ সামর্থ্য প্রতিগৰাকী সাংবাদিকে আয়ত্ব কৰা উচিত। যেনে, নির্বাচনৰ বাতৰি সংগ্রহ কৰাৰ সময়ত, নির্ভুল সংখ্যাবোৰ সংগ্রহৰ বাবে সাংবাদিকৰ মৌলিক গাণিতিক/পাৰিসংখ্যিক দক্ষতা থকা উচিত। তেওঁ এই ডেটাবোৰ চালি-জাৰি চাই সাধাৰণ ব্যক্তিয়ে বুজি পোৱা ভাষাত বিস্তৃত প্রতিবেদন প্রস্তুত কৰিব লাগে। প্রয়োজন সাপেক্ষে প্রাসংগিক তথ্য অথবা ডেটা সংগ্রহৰ বাবে সাংবাদিকে নামজ্বলা ব্যৱসায়ী আৰু প্রখ্যাত ৰাজনীতিকৰ সৈতে কথা পাতিব লাগে। পোনপটীয়া বাতৰি সম্প্রচাৰ কৰি থকাৰ সময়ত সাংবাদিকসকলে দ্রুত গতিত ডেটা সংগ্রহ আৰু বিশ্লেষণ কৰাৰ দক্ষতা দেখুৱাব লাগে।

(ঘ) যন্ত্র সঁজুলি নিয়ন্ত্রণ কৰাৰ দক্ষতা ঃ সাংবাদিক এগৰাকীৰ কম-বেছি পৰিমাণে সকলো কামৰে ধাৰণা আৰু অভিজ্ঞাতা থাকিব লাগে। (ইংৰাজীত ইয়াক 'Jack of all trades' বোলা হয়)। সাংবাদিকে নিজৰ নিয়ন্ত্রণত থকা সকলো বৈদ্যুতিক আহিলা ব্যৱহাৰ কৰিব জানিব লাগে। আগতেই আলোচনা কৰি অহা হৈছে যে এগৰাকী সাংবাদিকৰ কেমেৰা, লেপটপ, চাউণ্ড ৰেক'র্ডাৰ আদিৰ দৰে যন্ত্র-পাতি কেনেকৈ চলোৱা হয় তাৰ জ্ঞান থাকিব

লাগে। কাৰণ সংবাদ আৰ ঘটনা ৰেক'ৰ্ড কৰাৰ সময়ত এই যন্ত্ৰকেইবিধেই সাধাৰণতে ব্যৱহাৰ কৰা হয়। বৈদ্যুতিক সংবাদ প্ৰতিষ্ঠানত কাম কৰা সাংবাদিকৰ বাবে এই দক্ষতা আহৰণৰ বিশেষ প্ৰয়োজনীয়তা আছে। আজিকালি ব্যৱহৃত অধিকাংশ যন্ত্ৰ-পাতিয়েই ডিজিটেল প্ৰযুক্তিৰ আধাৰত তৈয়াৰী। সেয়েহে সাংবাদিকসকলৰ ডিজিটেল প্ৰযুক্তি সম্পৰ্কীয় জ্ঞানো থকা দৰকাৰ। তেওঁলোকে ডিজিটেল মেম'ৰী কার্ড, ডেটচ্ (DATs), চি ডি-ৰোমছ্ (CD-ROMs), মিনি ডিস্ক, বেটাৰী আদি কেনেকৈ জমা ৰখা হয় আৰু কেনেকৈ ভালে ৰাখিব পাৰি সেয়া জনা উচিত।

(ঙ) সহকর্মীৰ দলৰ নেতৃত্ব দিয়া ঃ কোনো ঘটনাৰ সংবাদ প্ৰস্তুত কৰাৰ সময়ত সাংবাদিক এগৰাকীয়ে অনুসন্ধানকাৰী, কেমেৰা পার্চন আৰু কনিষ্ঠ সাংবাদিকেৰে গঠিত দল একোটাৰ নেতৃত্ব বহন কৰিব লাগে। তেওঁৰ কর্তব্য হ'ল সন্মুখত থাকি নেতৃত্ব দিয়া। সংকটৰ সময়ত আঁতৰি দিয়াটো দক্ষ আৰু ভাল সাংবাদিকৰ লক্ষণ নহয়। অৱশ্যে ইয়াৰ অর্থ এইটো নহয় যে এগৰাকী সাংবাদিকে মালিকৰ দৰে আচৰণ কৰিব আৰু দলৰ আন সদস্যসকলক অন্যায়ভাৱে দমন কৰিব। বাস্তৱ ক্ষেত্ৰত এগৰাকী সাংবাদিকে তেওঁৰ সৈতে কাম কৰা অন্য সদস্যবোৰৰ মাজৰ মতবিৰোধ যিমান পাৰে কম কৰাৰ প্ৰয়াস চলায় আৰু দলৰ সদস্যসকলে যাতে ঘনিষ্ঠ সম্পর্ক ৰাখি কাম কৰি যায় সেয়া সুনিশ্চিত কৰে। দলীয় প্ৰয়াসবোৰৰ লক্ষ্য এটাই হোৱা উচিত কোনো নির্দিষ্ট ঘটনাৰ ডেটা অথবা বার্তাৰ সংগ্ৰহ।

(চ) সকলোৰে প্ৰতি সন্মান ঃ ভুল অথবা ৰহন সনা বার্তা অথবা সংবাদ প্ৰচাৰ নকৰাটো হ'ল সাংবাদিকৰ দায়িত্ব। কাৰণ এনে বাতৰিয়ে সাধাৰণ মানুহৰ মনত ক্ৰোধৰ উদ্ৰেক কৰিব পাৰে। সাংবাদিকে কোনো সম্প্ৰদায়ৰ আবেগ অনুভূতিৰ সৈতে খেলিব নালাগে। তেওঁ অনুসন্ধানৰ বাবে গ্ৰহণ কৰা সমাজখনৰ জীৱন-যাপনৰ নীতি অথবা শৈলীক লৈ কোনো ওজৰ-আপত্তি দেখুৱাব নোৱাৰে। তাৰ পৰিৱর্তে সাংবাদিকৰ মনত ভিন্ন জাতি-সম্প্ৰদায়ৰ প্ৰতি সন্মান থাকিব লাগিব। এই সন্মান তেওঁৰ বাতৰি প্ৰতিবেদনবোৰত প্ৰতিফলিত হ'ব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কর্মৰত সংবাদ প্ৰতিষ্ঠানটোলৈ সাংবাদিকৰ এক গুৰুত্বপূর্ণ দায়িত্ব থাকে। — উক্তিটোৱে কি বুজায়?

.....

২.৬ সাংবাদিকৰ অধিকাৰ

বিশ্বৰ বিভিন্ন দেশৰ চৰকাৰে সাংবাদিকসকলৰ বাবে বিভিন্ন নীতি আৰু অনুশীলন পন্থা নির্ধাৰণ কৰি দিছে। এইবোৰে সাংবাদিকৰ গৱেষণা- অনুসন্ধানৰ বিষয়, লেখনী আৰু প্ৰকাশ নিয়ন্ত্ৰণ কৰে। কিছুমান পশ্চিমীয়া দেশে প্ৰেছৰ অধিকাৰ আৰু স্বাধীনতাত তুলনামূলভাৱে কমকৈ হস্তক্ষেপ

কৰে। আনহাতে, বিশ্বৰ আন বহুতো দেশত প্ৰেছৰ স্বাধীনতা সম্পৰ্কীয় যথেষ্ট কঠোৰ নীতি-নিয়ম আছে। বহুতো দেশৰ সাংবাদিকে সাধাৰণ মানুহে উপভোগ কৰিব নোৱৰা বহুতো সা-সুবিধা লাভ কৰে। যেনে- বিভিন্ন ৰাজহুৱা অনুষ্ঠান নাইবা ঘটনাত উপস্থিত থাকিব পাৰে, অপৰাধ সংঘটিত হোৱা স্থানলৈ যোৱাৰ সুযোগ পায়, প্ৰেছ সম্মিলনত অংশগ্ৰহণ কৰিব পাৰে ইত্যাদি। সাংবাদিকসকলে এনে সা-সুবিধা লাভ কৰাৰ আঁৰৰ মূল কাৰণ হ'ল কোনো চৰকাৰ চৰকাৰী কৰ্মচাৰী সপক্ষে অথবা বিপক্ষে ৰাজহুৱা মতামত গঢ়ি তুলিব পৰা প্ৰেছৰ ক্ষমতা। কিছুমান দেশত চৰকাৰেই সাংবাদিকক প্ৰত্যক্ষভাৱে নিযুক্তি দিয়ে, নিয়ন্ত্ৰণ কৰে অথবা নিষিদ্ধ কৰে। বহুতো দেশৰ চৰকাৰে প্ৰায়েই প্ৰেছৰ অধিকাৰক নিশ্চিতি দিয়া বুলি দাবী কৰে যদিও বাস্তৱিকতে বিভিন্ন সময়ত সাংবাদিকক গ্ৰেপ্তাৰ, ধ্বংস, সম্পত্তি বাজেয়াপ্ত,শাৰীৰিক অত্যাচাৰ অথবা হত্যাৰ ভাবুকিৰে ভীতিগ্ৰস্ত কৰি ৰাখে। সংঘাতৰ সংবাদ যোগান ধৰা অথবা সংঘাতপূৰ্ণ এলেকাত কৰ্মৰত সাংবাদিকসকলে প্ৰায়েই চৰকাৰী সুৰক্ষা লাভ কৰাৰ আশা বাদ দি কাম কৰে। তলত তিনিটা বিশেষ দিশত থকা সাংবাদিকৰ অধিকাৰসমূহ আলোচনা কৰা হ'ল —

সাংবাদিকৰ অধিকাৰ বনাম ব্যক্তিগত নাগৰিক তথা দল-সংগঠনৰ অধিকাৰ ঃ

ব্যক্তিগত নাগৰিকৰ দৰে সাংবাদিকসকলৰো একে ক্ষমতা আৰু সুবিধা উপভোগ কৰাৰ অধিকাৰ আছে। অৱশ্যে এই ক্ষমতা নাগৰিকৰ গোপনীয়তাৰ অধিকাৰৰ দ্বাৰা সীমাবদ্ধ। এগৰাকী ব্যক্তিগত নাগৰিকৰ গোপনীয়তাৰ অধিকাৰ তেতিয়াই কমি যায় যেতিয়া তেওঁ নিজ কৰ্মৰ দ্বাৰা অথবা কোনো ৰাজহুৱা ঘটনাত সাঙোৰ খাই পৰাৰ ফলত ৰাইজৰ দৃষ্টিত পৰে। প্ৰায়েই সাংবাদিকসকল ৰাজহুৱা দৃষ্টিৰ আওতালৈ আহে। কাৰণ তেওঁলোকে সত্যক বিকৃত কৰি মান-প্ৰতিষ্ঠান হানি কৰা অসত্য প্ৰচাৰ কৰাৰ দোষত আইনৰ মেৰপেঁচত পৰে। মানহানিৰ গোচৰবোৰে কেতিয়াবা সাংবাদিকৰ বাতৰি প্ৰকাশৰ অধিকাৰ বনাম নাগৰিকৰ গোপনীয়তাৰ অধিকাৰৰ মাজত দ্বন্দ্বৰ সৃষ্টি কৰে। কিছুমান সাংবাদিকৰ মতে সাংবাদিক অথবা সংবাদ প্ৰতিষ্ঠানৰ বিৰুদ্ধে চলা এনে আইনী যুদ্ধবোৰ হ'ল ব্যয়বহুল ন্যায়িক প্ৰক্ৰিয়া চলোৱাৰ ভাবুকিৰে সাংবাদিকৰ কণ্ঠ ৰোধ কৰাৰ প্ৰচেষ্টা গুচৰীয়া পক্ষই নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিব নোৱাৰিলেও এনে যুদ্ধ সমাপ্ত নহয়। এই অৱস্থাটোক ইংৰাজীত 'Chilling effect' বুলি কোৱা হয়।

উৎসৰ গোপনীয়তা ৰক্ষা কৰাৰ অধিকাৰ ঃ

প্ৰায়েই সাংবাদিকসকলে নিজৰ সংবাদ উৎসৰ গোপনীয়তা ৰক্ষা কৰিবলগীয়া হয়। উৎসবোৰৰ জীৱনৰ প্ৰতি আহিব পৰা ভাবুকিৰ বাবেই সাধাৰণতে উৎস গোপনে ৰখা হয়। প্ৰেছৰ স্বাধীনতাৰ এক সম্প্ৰসাৰণ হিচাপে সাংবাদিকে এই অধিকাৰ প্ৰয়োগ কৰে। প্ৰেছে সাংবাদিকসকলক নিজ নিজ উৎস পুলিচ অথবা বাদী পক্ষৰ উকীলৰ পৰাও গোপনে ৰখাৰ ন্যায়িক সুৰক্ষা প্ৰদান কৰে। ইয়াৰ বাবেই উৎসৰ বিষয়ে ফাদিল নকৰিলেও সাংবাদিকে আদালত অৱমাননা অথবা কাৰাবাস খটিবলগীয়া শাস্তিৰ পৰা ৰেহাই পায়।

দেশভেদে এই বিশেষ অধিকাৰটোৰ পৰিসৰ বেলেগ বেলেগ। যেনে- বৃটেইনত চৰকাৰে

সংবেদনশীল বুলি ভবা সকলো তথ্য গোপন ৰখাৰ ন্যায়িক অধিকাৰ লাভ কৰিছে। লগতে বৃটেইনত চৰকাৰে সাংবাদিকৰ ওপৰত ফাদিল হোৱা তথ্যৰ উৎস সদৰি কৰিবলৈ আমেৰিকান চৰকাৰতকৈও অধিক বল প্ৰয়োগ কৰিব পাৰে।

চৰকাৰী তথ্য লাভৰ অধিকাৰ ঃ

চৰকাৰে ৰাইজক, আৰু ইয়াৰ সম্প্ৰসাৰণ হিচাপে সংবাদ মাধ্যমক চৰকাৰী তথ্য জনাৰ অধিকাৰ দিছে। সাংবাদিকসকল এই অধিকাৰৰ ওপৰতো নিৰ্ভৰশীল। এই অধিকাৰো দেশ ভেদে ভিন ভিন হ'ব পাৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত এই অধিকাৰ প্ৰদেশভেদে ভিন ভিন। কিছুমান দেশে চৰকাৰী তথ্য সুলভ কৰিবলৈ যথেষ্ট মুকলি নীতি গ্ৰহণ কৰে। আন কিছুমান দেশে বিগত দশকৰ পৰা এই অধিকাৰৰ পৰিধি বহল কৰিবলৈ নতুন নীতি গ্ৰহণ কৰিছে।

সাংবাদিকতাৰ সৈতে জড়িত নীতিগত দিশবোৰ স্নাতক গণসংযোগ পাঠ্যক্ৰমৰ চতুৰ্থ ষান্মসিকৰ 'সংবাদ মাধ্যম আইন আৰু নীতি' কাকতখনত আলোচনা কৰা হ'ব।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংবাদ প্ৰতিবেদন প্ৰস্তুত কৰা আৰু সংবাদৰ আধাৰত ব্যাখ্যা তথা মতামত আগবঢ়োৱা প্ৰধানকৈ এই দুটা কাম কৰা ব্যক্তিকে সাংবাদিক বোলে।
- 'সাংবাদিক'ৰ অভিধাই সামৰি লোৱাসকলৰ পৰা কোনো বাতৰি প্ৰস্তুত কৰাৰ সময়ত বৃত্তিজীৱিতাৰ প্ৰত্যাশা কৰা হয়। এই বৃত্তিজীৱিতা সত্য, নিৰপেক্ষতা, সমতা, ভদ্ৰতা আৰু ন্যায়নিষ্ঠতাৰ বিবেচনাৰ ভিত্তিত প্ৰদৰ্শন কৰিব পাৰি। অৱশ্যে এই উপাদানবোৰ প্ৰদৰ্শনৰ স্বীকৃত মান প্ৰতিষ্ঠানভেদে বেলেগ বেলেগ হ'ব পাৰে।
- সাংবাদিকতা আৰু অন্য বৃত্তিৰ মাজত থকা দুটামান উমৈহতীয়া প্ৰয়োজনীয় গুণ হ'ল- সুশিক্ষা, সুস্বাস্থ্য, ধৈৰ্য আৰু দৃঢ় সংকল্পৱদ্ধতা।
- এগৰাকী ভাল সাংবাদিকৰ বাতৰিৰ তুলনামূলক মূল্য পূৰ্বানুমান কৰাৰ সামৰ্থ্য থাকিব লাগে। এগৰাকী দক্ষ সাংবাদিকে বাতৰি এটাৰ প্ৰতিটো উপাদানৰে যথাযোগ্য অনুপাত, সঠিক গুৰুত্ব আৰু দৈৰ্ঘ্য আদি বিষয় সম্পৰ্কে জ্ঞাত হ'ব লাগে। সাংবাদিকে নিজৰ অনুভৱ অথবা আগ্ৰহৰ দ্বাৰা কোনো বাতৰিকে প্ৰভাৱিত কৰিব নালাগে।
- গণতন্ত্ৰত সাংবাদিকে পালন কৰা এটা গুৰুত্বপূৰ্ণ ভূমিকা হ'ল চৰকাৰ আৰু জনসাধাৰণৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰা।
- ব্যক্তিগত নাগৰিকৰ দৰে সাংবাদিক সকলৰো একে ক্ষমতা আৰু সুবিধা উপভোগ কৰাৰ অধিকাৰ আছে।
- বহুতো দেশৰ সাংবাদিকে সাধাৰণ মানুহে উপভোগ কৰিব নোৱৰা বহুতো সা-সুবিধা লাভ কৰে। যেনে- বিভিন্ন ৰাজহুৱা অনুষ্ঠান নাইবা ঘটনাত উপস্থিত থাকিব পাৰে,

অপৰাধ সংঘটিত হোৱা স্থানলৈ যোৱাৰ সুযোগ পায়, প্ৰেছ সম্মিলনত অংশগ্ৰহণ কৰিব পাৰে ইত্যাদি। সাংবাদিকসকলে এনে সা-সুবিধা লাভ কৰাৰ আঁৰৰ মূল কাৰণ হ'ল কোনো চৰকাৰ, চৰকাৰী কৰ্মচাৰী আৰু নীতিৰ সপক্ষে অথবা বিপক্ষে ৰাজহুৱা মতামত গঢ়ি তুলিব পৰা প্ৰেছৰ ক্ষমতা।

২.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1. Aggarwal, Vir Bala, Gupta V.S. (2002) Handbook of Journalism and Mass Communication. New Delhi : Concept Publishing Company
2. Chaudhary, J.C (2007) Introduction to Journalism and Mass Communication. New Delhi : Authors Press
3. Menon, P.K (2005) Practical Journalism. Jaipur : Aavishkar Publishers, Distributors
4. Pant, N.C (2002) Modern Journalism, Principles and Practice. New Delhi : Kanishka Publishers & Distributors
5. Harcup, Tony (2007) Journalism, Principles and Practice. New Delhi : Vistaar Publications

২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাংবাদিক হ'ল এনে এগৰাকী ব্যক্তি যিয়ে প্ৰধানতঃ দুটা কাম কৰে- সংবাদৰ প্ৰতিবেদন দাখিল কৰে আৰু সংবাদৰ ভিত্তিত কোনো ঘটনা সন্দৰ্ভত ব্যাখ্যা তথা মতামত আগবঢ়ায়। 'সাংবাদিক' অভিধাৰে বাতৰি-কাকত, সংবাদ এজেন্সী, সংবাদ আলোচনী আৰু অন্য আলোচনীৰ সংবাদ যোগনিয়াৰ, লেখক আৰু স্তম্ভলেখকসকলক সামৰি লোৱা হয়। এইসকল লোক ৰাজহুৱা ক্ৰিয়া-কলাপৰ প্ৰতি গভীৰভাৱে উৎসৰ্গিত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো বাতৰি-কাকত নাইবা যিকোনো সংবাদ মাধ্যমৰ বাবে সাংবাদিক সকলে একেলগে কাম কৰিব লাগে। এটা দল হিচাপে কাম কৰাৰ ফলত তেওঁলোকে শ্ৰোতা-দৰ্শকক বিভিন্ন মাত্ৰাৰ আৰু দৃষ্টিভংগীৰ সংবাদ যোগান ধৰিব পাৰে। দলৰ সদস্য হোৱা মানে হ'ল যিকোনো সংবাদ প্ৰতিষ্ঠানৰ প্ৰতিগৰাকী কৰ্মচাৰীয়ে নিজ দক্ষতা অনুসৰি নিজৰ ভাগত পৰা কাম আন্তৰিকতা আৰু নিষ্ঠাৰে শেষ কৰাৰ উপৰি সহকৰ্মীক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা। দলৰ সদস্যসকলে তেওঁলোকৰ